**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-06-2026
**Time :** 17-15 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি দৰং আৰু শোণিতপুৰত পাইপযুক্ত প্ৰাকৃতিক গেছৰ যোগান প্ৰকল্প আৰু CNG প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন।

২। ৰাজ্যত প্ৰায় ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগৰ ব্যাপক সজাগতা কাৰ্যসূচী।

৩। প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়ৰে গ্ৰীণফিল্ড শ্বিলং-শিলচৰ কৰিড'ৰ বিকশাই তোলা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ঘোষণা।

**আৰু**

৪। ফিফা বিশ্বকাপ ফুটবলৰ আজি হ'বলগীয়া খেলত ফ্ৰান্স ছেনেগালৰ আৰু ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈ আৰু তেজপুৰত পাইপযুক্ত প্ৰাকৃতিক গেছৰ যোগান প্ৰকল্প তথা উহানি পথাৰ আৰু গৰৈমাৰীত দুটা CNG প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব। জনসাধাৰণক নিৰাপদ আৰু স্বচ্ছভাৱে ইন্ধন যোগানৰ বাবে এই পদক্ষেপ লোৱা হৈছে। আজি বিয়লি চাৰে ৫ বজাত দিছপুৰৰ লোকসেৱা ভৱনৰ পৰা মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পকেইটাৰ শুভাৰম্ভ কৰিব। এই অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু শদিয়াৰ বিধায়ক বলিন চেতিয়া উপস্থিত থাকিব।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কমেও ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৱা এপ্ৰিলৰ পৰা ১২ জন ৰোগী চিকিৎসাধীন হয়। ইয়াৰে ৫ জনৰ মৃত্যু হয় বুলি চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে প্ৰকাশ কৰিছে। অধীক্ষকগৰাকীয়ে জনসাধাৰণক এই ৰোগৰ লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ সহায় লবলৈ আহ্বান জনাইছে।

বাইট

জুন-জুলাই মাহত জাপানী এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগৰ পৰা হাত সাৰি থকাৰ বাবে সজাগ হ'বলৈ স্বাস্থ্য বিভাগে জনসাধাৰণক আহ্বান জনাইছে। বিশেষ সূত্ৰ অনুসৰি ৰাজ্যত জাপানী এনকেফেলাইটিছ আৰু এনে ধৰণৰ লক্ষণযুক্ত ৰোগত আক্ৰান্ত হৈ চলিত বছৰত কমেও ৮ জন লোকৰ মৃত্যু হৈছে। ইয়াৰ ভিতৰত কামৰূপ আৰু লখিমপুৰত দুজনকৈ, বৰপেটা, কাছাৰ, যোৰহাট আৰু কামৰূপ মহানগৰত এজনকৈ লোকৰ মৃত্যু হৈছে। আনহাতে কামৰূপ মহানগৰ, বাক্সা, বৰপেটা, কাছাৰ, চৰাইদেউ, গোৱালপাৰা, হাইলাকান্দি, যোৰহাট আৰু কামৰূপত জাপানী এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ কেইবাজনো ৰোগ চিকিৎসাধীন হৈ আছে। এনেধৰণৰ ৰোগত ছয় শতাধিক লোক আক্ৰান্ত হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে এই ৰোগৰ পৰা হাত সৰাৰ বাবে জনসাধাৰণক মহৰ প্ৰজনন হোৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে। তদুপৰি তীব্ৰ জ্বৰ, মূৰৰ বিষ, শৰীৰৰ অস্বাভাৱিক কঁপনি, কথা ক'বলৈ অসুবিধা পোৱা আৰু অচেতন হৈ পৰা লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ০০

০০০

অহা ২১ জুনত দেশৰ লগতে বিশ্বজুৰি পালন হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে ৰাজ্যত প্ৰস্তুতি অব্যাহত আছে। কামৰূপ জিলাৰ শুৱালকুছিত হ'বলগীয়া যোগ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। শুৱালকুছিৰ গান্ধী আশ্ৰমত ৰাজ্যপালগৰাকীয়ে যোগ দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। ৰাজ্যপালৰ আয়ুক্ত সচিব মীনাক্ষী সুন্দৰমে আজি আশ্ৰমখন পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই তেওঁক সংগ দিয়ে। পৰিদৰ্শনৰ সময়ত দিৱসৰ বাবে যাৱতীয় প্ৰস্তুতি চালি জাৰি চোৱা হয়। এই সন্দৰ্ভত আয়ুক্ত সচিবগৰাকীয়ে এনেদৰে কয়—

**বাইট (মীনাক্ষী সুন্দৰম)**

মৰিগাঁৱতো কুষ্ঠ বাৰ্ধক্যৰ বাবে যোগ শীৰ্ষক মূল বিষয়বস্তুৰে পালন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পৰিপ্ৰেক্ষিতত এখন প্ৰস্তুতি বৈঠক জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তই বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাটো সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়ে। জিলাখনত যোগ দিৱসৰ লগত সংগতি ৰাখি ২০ জুনত যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১০ বছৰৰ পৰা ৩৫ বছৰ ঊৰ্ধলৈ মুঠ চাৰিটা শাখাত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীণফিল্ড শ্বিলং-শিলচৰ কৰিডৰ বিকশাই তোলা হ'ব বুলি ঘোষণা কৰিছে। কালি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰি তেওঁ এইকথা ঘোষণা কৰে। তেওঁ কয়, যে ১৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰ উত্তৰ-পূবৰ আন্তঃগাঁথনি ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। এই কৰিডৰে শ্বিলং আৰু শিলচৰৰ মাজত যাত্ৰাৰ সময় ৫০ শতাংশ হ্ৰাস কৰাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতে যোগাযোগ শক্তিশালী কৰি তুলিব বুলি তেওঁ কয়। ইয়াৰ ফলত পৰ্যটন আৰু পৰিবহণ খণ্ডত উন্নয়ন হোৱাৰ লগতে অঞ্চলটোৰ সৰ্বাত্মক বিকাশ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত শ্ৰী

গাডকাৰীয়ে ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ প্ৰস্তাৱিত, চাৰিটা লেনযুক্ত গ্ৰীণফিল্ড-যোৰাবাট-বৰাপানী কৰিডৰৰ বিষয়েও উল্লেখ কৰে। ৬৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰে গুৱাহাটী আৰু শ্বিলঙৰ মাজত যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে মহানগৰ দুখনৰ মাজত যাত্ৰাৰ সময় আঢ়ৈ ঘণ্টাৰ পৰা এঘণ্টালৈ হ্ৰাস কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মেঘালয়ত ৩৯ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ ৪৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কথাও ঘোষণা কৰে।

০০০

অহা ২১ জুনত পুনৰ হ’বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা-NEET২০২৬ৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে ২২ জুন পৰ্যন্ত ‘টেলিগ্ৰাম’ নামৰ সামাজিক মাধ্যমৰ এপ্লিকেচন আৰু অনলাইন বাৰ্তা প্ৰেৰণ নিষিদ্ধ কৰিছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA-ৰ বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে এই সময়ছোৱাৰ বাবে টেলিগ্ৰাম নিষিদ্ধ কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। NTA-ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই সামাজিক মাধ্যমবিধৰ জৰিয়তে ইতিমধ্যে প্ৰেৰণ কৰা বাৰ্তা ৩০ জুন পৰ্যন্ত সম্পাদনা কৰাৰ ব্যৱস্থা নাৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ ফলত পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা ৰোধ কৰাত সহায় হ’ব বুলি আশা কৰা হৈছে। NTA-ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই ছ’চিয়েল মিডিয়া এপ্লিকেচনটোৰ পূৰ্বে অসাধু উপায়েৰে ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখি আৰু শিক্ষাৰ্থীসকলৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত লৈছে। ইয়াৰ আগেয়ে কালি কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে স্নাতক পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে পুনৰবাৰ হ’বলগীয়া নীট পৰীক্ষাৰ নিৰাপত্তা তথা প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। তেওঁ পৰীক্ষাৰ্থীসকলৰ সুবিধা, নিৰাপত্তা ব্যৱস্থা আৰু পৰীক্ষা প্ৰক্ৰিয়াৰ সংহতিত বিশেষ গুৰুত্ব প্ৰদান কৰি ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰা ব্যৱস্থাৰ বুজ লয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত পুনৰ হ’বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা-নীটৰ প্ৰৱেশ পত্ৰ মুকলি কৰিছে। পৰীক্ষাৰ্থীসকলে NTA-ৰ ৱেৱছাইট neet.nta.nic.in-ৰ পৰা তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব। ২১ জুনত দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ’ব।

০০০

দৰং জিলাৰ খাৰুপেটিয়া সমীপৱৰ্তী বালিগাওঁৰ কেইবাখনো ফল-মূলৰ বিপনীত আজি জিলাখনৰ খাদ্য আৰু অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা আৰু স্বাস্থ্য বিভাগৰ অন্তৰ্গত জিলা সুৰক্ষা বিষয়াই অভিযান চলায়। আৰক্ষীৰ উপস্থিতিত চলোৱা এই অভিযানত বিক্ৰীৰ বাবে মজুত ৰখা ফলত বিষাক্ত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা হৈছে নেকি সেই বিষয়ে বুজ লোৱা হয়। পৰিদৰ্শনকালত কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০

দৰং জিলা উপায়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত ৰাজহ চিৰস্তদাৰ মঙলদৈ বামুণপাৰা নিবাসী হৰেশ্বৰ শৰ্মাৰ কালি নিশা এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। তেওঁ মঙলদৈৰ সনাতন ধৰ্ম সভা, বামুণপাৰা দুৰ্গা মন্দিৰকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

০০০

চলিত ফিফা বিশ্বকাপ ফুটবলৰ আজি হ'বলগীয়া খেলত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত দুবাৰৰ চেম্পিয়ন ফ্ৰান্স ছেনেগালৰ মুখামুখি হ'ব। পুৱতি নিশা চাৰে ৩ বজাত ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

বিশ্বকাপৰ যোৱা নিশা অনুষ্ঠিত তিনিওখন খেলেই অমীমাংসিত হৈ ৰয়। মিয়ামিত হোৱা গ্ৰুপ-এইচৰ খেলত পূৰ্বৰ চেম্পিয়ন উৰুগুৱে চৌডি আৰবৰ লগত ১-১ গ'লত ড্ৰ' খেলাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন খেলত প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে গ্ৰুপ-এইছৰ এখন খেল গ'লশূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে।

এই গ্ৰুপৰে আজি পুৱা অনুষ্ঠিত ইৰান আৰু নিউজিলেণ্ডৰ খেলখনো ২-২ গ'লত ড্ৰ' হয়।

০০০

ঃঃ সমাপ্ত ঃঃ